**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ লগতে নাদিয়া জিলাত দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প উদ্বোধন কৰিব।

২। প্ৰধানমন্ত্ৰীগৰাকী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব।

৩। ভাৰত আৰু নেডাৰলেণ্ডছে এখন বুজাবুজি চুক্তিৰ জৰিয়তে ভাৰত-নেডাৰলেণ্ডছ যুটীয়া বাণিজ্য আৰু বিনিয়োগ সমিতি গঠনৰ কথা ঘোষণা কৰিছে।

৪। মহাৰাষ্ট্ৰৰ নাগপুৰ চহৰত এটা ঔদ্যোগিক প্ৰতিষ্ঠানত এটা পানীৰ টেংক ভাঙি পৰাৰ ফলত ৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৯ জন লোক আহত হয়। *আৰু*

৫। আহমেদাবাদত অনুষ্ঠিত টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ৩০ ৰানত পৰাস্ত কৰি শৃংখলা দখল কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগ ভ্ৰমণ কৰি কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে নাদিয়া জিলাৰ ৰাণাঘাটত প্ৰায় ৩ হাজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্প উদ্বোধন কৰিব। শ্ৰীমোদীয়ে এখন জনসভাতো অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে পশ্চিমবংগৰ নাদিয়া জিলাত ৬৬ দশমিক ৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৩৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাৰাজাগুলি-কৃষ্ণ নগৰ খণ্ডৰ চাৰিলেনযুক্ত পথছোৱা উদ্বোধন কৰিব। তেওঁ লগতে উত্তৰ ২৪ পৰগানা জিলাৰ বাৰাছত-বাৰাজাগুলি সংযোগী ১৭ দশমিক ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত পথছোৱাৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পই কলকাতা আৰু শিলিগুৰিৰ মাজৰ যাতায়াত ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়াৰ ফলত যাতায়াতৰ সময় প্ৰায় দুঘণ্টা হ্ৰাস পোৱাৰ লগতে দ্ৰুত আৰু মসৃণ যাত্ৰা সুনিশ্চিত কৰিব। তদুপৰি এই পথ প্ৰকল্পই এই খণ্ডত পৰ্যটনৰ বিকাশত অৰিহণা যোগাই অৰ্থনীতিক শক্তিশালী কৰাত বিশেষ ভূমিকা পালন কৰিব।

০০০০০

পশ্চিমবংগ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰায় ১৫ হাজাৰ ৬০০ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্যখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ অৰ্কিড বিষয়বস্তুৰে নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিমানবন্দৰতে অসমৰ

প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে টাৰ্মিনেল ভৱনৰ বাহিৰত এখন জনসভাত ভাগ ল'ব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে বৃহৎ ৰোড শ্ব'ৰ আয়োজন কৰিছে।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব।

ooooo

ভাৰত আৰু নেডাৰলেণ্ডছে এখন বুজাবুজি চুক্তিৰ জৰিয়তে ভাৰত-নেডাৰলেণ্ডছ যুটীয়া বাণিজ্য আৰু বিনিয়োগ সমিতি গঠনৰ কথা ঘোষণা কৰিছে। দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য, বিনিয়োগ আৰু অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত এই যুটীয়া সমিতিখন হৈছে গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। ডাটছ বিদেশমন্ত্ৰী ডেভিদ ভেন ৱিলৰ ভাৰত ভ্ৰমণৰ সময়ত কালি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয় আৰু নেডাৰলেণ্ডছৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মাজত আনুষ্ঠানিকভাৱে এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। এটা বিবৃতিত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বাণিজ্য আৰু বিনিয়োগ সন্দৰ্ভত নিয়মীয়া আলোচনা আৰু সহযোগিতাৰ বাবে আনুষ্ঠানিক প্ৰতিষ্ঠানগত পৰিকাঠামো হিচাপে এই যুটীয়া সমিতিখন গঠন কৰা হৈছে।

ooooo

মহাৰাষ্ট্ৰৰ নাগপুৰ চহৰত এটা ঔদ্যোগিক প্ৰতিষ্ঠানত এটা পানীৰ টেংক ভাঙি পৰাৰ ফলত ৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৯ জন লোক আহত হয়। এই দুৰ্ঘটনাটো আভাদা ইলেকট্ৰ' প্ৰাইভেট লিমিটেড নামৰ এটা সৌৰ পেনেল নিৰ্মাণকাৰী ফেক্টৰীত সংঘটিত হৈ বুলি আৰক্ষীৰ বিষয়াই নিশ্চিত কৰিছে। পানীৰ টেংকটো ভাঙি যোৱাৰ ফলত ধ্বংসাৱশেষৰ মাজত আৱদ্ধ হৈ পৰা ৩ জন শ্ৰমিকৰ থিতাতে মৃত্যু হয়। ইপিনে গুৰুতৰভাৱে আহত আন ৩ জনক চিকিৎসালয়লৈ নিয়া হয় যদিও তেওঁলোকৰ চিকিৎসালয়তে মৃত্যু হয়। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নৱিছে এই ঘটনাত শোক প্ৰকাশ কৰিছে। তেওঁ নিহতসকলৰ নিকটত্মায়ীলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ লাখ টকাকৈ এককালীন সাহায্য প্ৰদানৰ কথা ঘোষণা কৰে। তদুপৰি শ্ৰমিকসকলে কৰ্মৰত কোম্পানীয়ে নিহতসকলৰ পৰিয়াললৈ ৩০ লাখ টকাকৈ প্ৰদান কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে বিমান কোম্পানীসমূহক যাত্ৰীৰ সুবিধাৰ বাবে থকা সকলো নিয়ম কঠোৰভাৱে পালন কৰিবলৈ আৰু ঘন কুঁৱলীৰ বাবে দৃশ্যমানতা হ্ৰাস পোৱাৰ ফলত বিমানৰ উৰণত অসুবিধাই দেখা দিলে, যাত্ৰীসকলৰ সুবিধাৰ্থে পৰ্যাপ্ত কৰ্মচাৰী থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। এই সন্দৰ্ভত কালি এখন জাননী জাৰি কৰি অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে কয়, যে কুঁৱলীজনিত কাৰণত বিমানৰ উৰণত বিলম্ব হ'লে যাত্ৰীসকলক প্ৰয়োজনীয় সকলো সুবিধা প্ৰদান কৰিব লাগিব। মন্ত্ৰালয়ে বিবৃতিটোত কয়, যে

যাত্ৰীসকলক বিমান উৰণ সন্দৰ্ভত শেহতীয়া তথ্য প্ৰদান কৰাৰ লগতে অপেক্ষাৰ সময়ছোৱাত খাদ্যৰ যোগান ধৰিব লাগিব। বিমান উৰণৰ বাবে সকলো প্ৰয়াস চলোৱা পিছতো প্ৰতিকূল বতৰৰ বাবে যদি উৰণ বাতিল কৰিবলগীয়া হয় বা উৰণত বিলম্ব ঘটে, তেন্তে এই সন্দৰ্ভত যাত্ৰীসকল স্পষ্টকৈ জনাব লাগিব বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে। মন্ত্ৰালয়ে লগতে কয়, যে এনে পৰিস্থিতিত যাত্ৰীসকলৰ প্ৰয়োজনীয় প্ৰাপ্যৰ দিশটোত বিবেচনা কৰিব লাগিব।

কুঁৱলীৰ পৰাৰ সময়ত বিশেষকৈ পুৱতি নিশা আৰু সন্ধিয়াৰ ভাগত বিমান কৰ্তৃপক্ষই বিমান বন্দৰত প্ৰয়োজনীয় সংখ্যক কৰ্মচাৰী মজুত ৰখাটো নিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়া হৈছে।

মন্ত্ৰালয়ে লগতে কয়, যে সংযোগী বিমান, মালবস্তুৰ চোৱাচিতা আৰু সংগীবিহীন নাবালকৰ যত্ন লোৱা দিশসমূহো বিমান কৰ্তৃপক্ষই নিশ্চিত কৰিব লাগিব।

০০০০০

হকী ইণ্ডিয়াৰ সভাপতি ড০ দিলীপ কুমাৰ টিৰ্কীয়ে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ অধ্যক্ষ জয় শ্বাহক কালি সাক্ষাৎ কৰে। এই সাক্ষাৎকালত দুয়োগৰাকীয়ে ভাৰতত হকীৰ দীৰ্ঘম্যাদী উন্নয়ন সন্দৰ্ভত মত বিনিময় কৰে। দেশত হকী শক্তিশালী কৰাৰ ক্ষেত্ৰত দেখুওৱা আগ্ৰহ, ইতিবাচক মনোভাৱ আৰু সহযোগিতামূলক পদক্ষেপৰ বাবে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ অধ্যক্ষ জয় শ্বাহক হকী ইণ্ডিয়াই ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

আহমেদাবাদত অনুষ্ঠিত টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ৩০ ৰানত পৰাস্ত কৰি শৃংখলা দখল কৰে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰে। তিলক বাৰ্মাই সৰ্বাধিক ৭৩ আৰু হাৰ্ডিক পাণ্ডিয়াই ৬৩ ৰান কৰে। হাৰ্ডিকে মাত্ৰ ১৬টা বলত অৰ্ধশতক কৰি দ্ৰুত ৰান কৰা দ্বিতীয় ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হয়। দক্ষিণ আফ্ৰিকাৰ হৈ কৰ্বিন বছে দুটা উইকেট লাভ কৰাৰ লগতে অটনেইল বাৰ্টমেন আৰু জৰ্জ লিণ্ডেই এটাকৈ উইকেট দখল কৰে।

দক্ষিণ আফ্ৰিকাই ২৩২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০১ ৰান কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ কুইণ্টন ডি ককে ৬৫ ৰান কৰে। বৰুণ চক্ৰৱৰ্তীয়ে ৫টা উইকেট দখল কৰে। হাৰ্ডিক পাণ্ডিয়াক প্লেয়াৰ অৱ দা মেচ আৰু বৰুণ চক্ৰৱৰ্তীক প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়।

পাঁচখনীয়া টি-২০ শৃংখলাটোত ভাৰতে ৩-১ৰ ব্যৱধানত জয়লাভ কৰে। ইয়াৰে চতুৰ্থখন খেল ঘন কুঁৱলীৰ বাবে বাতিল কৰিবলগীয়া হয়।

০০০০০

চীনৰ হাংঝৌত অনুষ্ঠিত **বি ডব্লিউ এফ ৱৰ্ল্ড ট্যুৰ ফাইনেলছৰ** ছেমি ফাইনেলৰ পুৰুষৰ ডাবলছত আজি ভাৰতৰ স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টিৰ যুটীয়ে চীনৰ লিয়াং ৱেই কেং আৰু ৱেং চাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। গ্ৰুপ-বিৰ শীৰ্ষস্থানত থকা স্বাত্বিক আৰু চিৰাগ হৈছে এই প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰা প্ৰথম ভাৰতীয় পুৰুষ ডাবলছ যুটী। ভাৰতৰ তাৰকা খেলুৱৈ দুগৰাকীয়ে গ্ৰুপ-পৰ্যায়ৰ অন্তিমখন খেলত মালয়েছিয়াৰ যুটীক ১৭-২১, ২১-১৮, ২১-১৫ গেমত পৰাস্ত কৰে।

০০০০০

সমাপ্ত